GOVT.OFASSAM

OFFICEOFTHEDISTRICTCOMMISSIONER::::NAGAON

(SDPLO BRANCH)

03672-233185,233193,250006,233222(F)231111(F)

e.mail-deo-nagaon@nic.in

No. NDP.11/2025/ 10

Date: 05/04/2025

To,

1. The TD&DIO, NIC, Nagaon
2. The DIPRO, Nagaon

Sub: Submission of Information Regarding Panchayat Election, 2025.

Sir/ Ma'am,

With reference to the subject cited above, I am hereby submitting a letter concerning the documents required to be submitted alongside the Nomination letter for the forthcoming Panchayat Election. Therefore you are kindly requested to upload these letters on our district website and social media platforms for wide publicity and easy accessibility.

This is submitted for your kind information and necessary action.

Yours faithfully,

*Enclo:* As stated above.

**Addl. District Commissioner &**
**i/c Panchayat Election-2025**
**Nagaon :: Assam**

No.NDP.11/2025/10-A

Dated: 05/04/2025

*Copy to:*

1. PA to DC, Nagaon for kind appraisal of District Commissioner, Nagaon.
2. Office file.

- sd -

**Addl. District Commissioner &**
**i/c Panchayat Election-2025**
**Nagaon :: Assam**

## মনোনয়ন পত্ৰৰ লগত প্ৰাৰ্থীয়ে দাখিল কৰিবলগীয়া তথ্যপাতি সমূহঃ

১। মনোনয়ন পত্ৰঃ

(ক) গাওঁ পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰ-পত্ৰ ২ক ৰ জৰিয়তে দাখিল কৰিব পাৰিব।

(খ) আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰ-পত্ৰ-২থৰ জৰিয়তে দাখিল কৰিব পাৰিব।

(এজন প্ৰাৰ্থীয়ে বা প্ৰাৰ্থীৰ হকে তিনিখনকৈ মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব)

২। আমানতৰ ধন জমা দিয়া ৰচিদ।

৩। প্ৰতিজন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰৰ লগত নিম্ন উল্লেখিত শপতনামা সমূহ দাখিল কৰিব লাগিব। যদি এজন প্ৰাৰ্থীয়ে তিনিখনকৈ মনোনয়ন পত্ৰ দাখিল কৰিব বিচাৰে, তেখেতে প্ৰথমখন মনোনয়ন পত্ৰৰ লগত মূল শপত নামা দাখিল কৰিব আৰু বাকী তিনিখন মনোনয়ন পত্ৰৰ লগত উক্ত শপতনামাৰ প্ৰত্যায়িত নকল দাখিল কৰিব লাগিব।

(ক) অসম পঞ্চায়ত (সংবিধান) নিয়মাৱলী, ১৯৯৫ৰ নিয়ম ২২ (ক) অনুসৰি তফছিল-২ (Schedule II) ত সংলগ্ন বিন্যাসত (Format) ত এখন শপতনামা।

(খ) অসম পঞ্চায়ত (সংবিধান) নিয়মাৱলী, ১৯৯৫ৰ নিয়ম ৬২ (১) (ক) অনুসৰি পৰিশিষ্ট-১ (Annexure-I) ত সংলগ্ন বিন্যাসত (Format) ত তেওঁৰ/তাইৰ একক বা একাধিক সংগীৰ পৰা দুটাতকৈ অধিক জীৱিত সন্তান নাই বুলি এখন শপতনামা।

(গ) অসম পঞ্চায়ত (সংবিধান) নিয়মাৱলী, ১৯৯৫ৰ নিয়ম ৬২ (২) অনুসৰি পৰিশিষ্ট-২ (Annexure- II) ত সংলগ্ন বিন্যাসত (Format) ত তেওঁলোকৰ শিক্ষাগত অৰ্হতাৰ সন্দৰ্ভত এখন শপতনামাৰ লগতে এনে প্ৰমাণ পত্ৰৰ প্ৰত্যায়িত প্ৰতিলিপি।

(ঘ) অসম পঞ্চায়ত (সংবিধান) নিয়মাৱলী, ১৯৯৫ৰ নিয়ম ৬২ (৩) (ক) অনুসৰি পৰিশিষ্ট-৩ (Annexure-III) ত সংলগ্ন বিন্যাসত (Format) ত তেওঁৰ/তাইৰ বাসগৃহত এটা কাৰ্যক্ষম অনাময় শৌচাগাৰ উপলব্ধতাৰ সন্দৰ্ভত এখন শপতনামা।

(ঙ) অসম পঞ্চায়ত (সংবিধান) নিয়মাৱলী, ১৯৯৫ৰ নিয়ম ৬২ (৪ ) (ক) অনুসৰি পৰিশিষ্ট-৪ (Annexure-IV) ত সংলগ্ন বিন্যাসত (Format) ত তেওঁলোকৰ বিবাহৰ সময়ত তেওঁলোকৰ বয়স সম্পৰ্কে এখন শপতনামা।

**তদুপৰি উল্লেখ কৰা (খ), (গ), (ঘ) আৰু (ঙ) ৰ সলনি এখন শপতনামাতে সংলগ্ন কৰি দিব পাৰিব।(নমুনা দিয়া হৈছে)**

৪। ভাৰতীয় সংবিধানৰ ১৭৩ (ক) ধাৰা অনুসৰি মনোনয়ন পত্ৰ দাখিল কৰাৰ সময়ত নিৰ্দ্ধাৰিত প্ৰ-পত্ৰ অনুসৰি শপত গ্ৰহণ কৰিব লাগিব। (নমুনা দিয়া হৈছে)

৫। মনোনয়ন পত্ৰ ইং ০৩/০৪/২০২৫ তাৰিখৰ পৰা ইং ১১/০৪/২০২৫ তাৰিখলৈ দিনৰ ১১.০০ বজাৰ পৰা ৩.০০ বজাৰ ভিতৰত কাৰ্য্যালয় খোলা থকা দিনত সংশ্লিষ্ট কৰ্তৃত্ব প্ৰাপ্ত বিষয়াৰ ওচৰত দাখিল কৰিব পাৰিব।

৬। বেলত কাকত চপোৱাৰ বাবে প্ৰাৰ্থীৰ শুদ্ধ নাম আৰু যোগাযোগৰ বাবে সম্পূৰ্ণ ঠিকনা নিৰ্দ্ধাৰিত প্ৰ-পত্ৰ দাখিল কৰিব।

৭। বগা পৃষ্ঠভূমি সহ সম্পূৰ্ণ মুখাৱয়বৰ সন্মুখভাগ দেখুৱাই শেহতীয়াকৈ উঠোৱা ১০ (দহ) কপি পাচপোৰ্ট আকাৰৰ ৰঙীন ফটো দাখিল কৰিব।

৮। প্ৰাৰ্থীয়ে নিৰ্বাচন প্ৰতিনিধি নিযুক্তি দিব বিচাৰিলে প্ৰ-পত্ৰ নং ১১ (ক) যোগে সংশ্লিষ্ট কৰ্তৃত্ব প্ৰাপ্ত বিষয়াৰ ওচৰত আবেদন দাখিল কৰিব পাৰিব আৰু উক্ত নিযুক্তি প্ৰ-পত্ৰ নং ১১ (খ) যোগে নাকচ কৰিব পাৰিব।

৯। প্ৰাৰ্থীত্ব প্ৰত্যাহাৰৰ বাবে প্ৰ-পত্ৰ ৭ (খ) যোগে আবেদন কৰিব পাৰিব।

১০। অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে (নমুনা দিয়া হৈছে) দলৰ মনোনীত প্ৰাৰ্থী বুলি প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব। সদস্যৰ ক্ষেত্ৰত প্ৰযোজ্য) Form A আৰু Form B (কেৱল AP আৰু ZPC সদস্যৰ ক্ষেত্ৰত প্ৰযোজ্য)।

১১। প্ৰাৰ্থীৰ প্ৰস্তাৱকৰ আৰু প্ৰাৰ্থীৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটাৰ তালিকাৰ প্ৰত্যায়িত নকল।

১২। প্ৰাৰ্থীৰ বয়সৰ প্ৰমাণ পত্ৰ (ইং ০৩/০৪/২০২৫) তাৰিখত নিম্নতম বয়স ২১ বছৰ হব লাগিব।

১৩। মুক্ত প্ৰতীক চিহ্নৰ ঘোষনা পত্ৰ।

১৪। প্ৰাৰ্থী বা নিৰ্বাচন প্ৰতিনিধিৰ নমুনা স্বাক্ষৰ (নমুনা দিয়া হৈছে)।

১৫। প্ৰতিদ্বন্দী প্ৰাৰ্থীয়ে নিৰ্বাচন সংক্ৰান্তীয় খৰচৰ দৈনন্দিন হিচাব নিৰ্দ্ধাৰিত খৰচৰ বহীত লিপিবদ্ধ কৰি সংশ্লিষ্ট বিষয়াক দেখুৱাব লাগিব আৰু এই সম্বন্ধে নিৰ্বাচন অন্তত শপতনামা দাখিল দিব লাগিব।

১৬। যিসকল অনুসূচীত জাতি অথবা অনুসূচীত জনজাতিৰ প্ৰাৰ্থীয়ে সংৰক্ষিত আসনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিব তেখেতসকলে মনোনয়ন পত্ৰৰ লগত কৰ্তৃত্বশীল বিষয়াই দিয়া অনুসূচীত জাতি/অনুসূচীত জনজাতিৰ প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব।

১৭। পঞ্চায়ত নিৰ্বাচনৰ সকলো পৰ্য্যায়ৰ পদৰ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰত সংশ্লিষ্ট সমষ্টিৰ এজন ভোটাৰ সমৰ্থক হিচাবে প্ৰস্তাৱ কৰিব লাগিব।

১৮। জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থীয়ে নিৰ্বাচনী ব্যয়ৰ বাবে নতুন বেংক একাউন্ট খোলাৰ ঘোষণা।

১৯। প্ৰাৰ্থীৰ শিক্ষাগত অৰ্হতাৰ প্ৰমাণ পত্ৰ।

ক ) গাওঁ পঞ্চায়ত সদস্যঃ

- সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীসকল হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হব লাগিব।
- অনুসূচিত জাতি/জনজাতি/অন্যান্য পিছপৰা শ্ৰেণী/অতি অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীসকলৰ দশম শ্ৰেণীলৈ অধ্যয়নৰত হব লাগিব।

(খ) আঞ্চলিক পঞ্চায়ত সদস্যঃ

- সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীসকলে ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত যিকোনো পৰিষদ বা বৰ্ডৰ অধীনত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হব লাগিব।
- অনুসূচিত জাতি/জনজাতি/অন্যান্য পিছপৰা শ্ৰেণী/অতি অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীসকল যিকোনো শিক্ষানুষ্ঠানৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হব লাগিব।

(গ) জিলা পৰিষদ সদস্যঃ

• সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীসকলে ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত যিকোনো পৰিষদ বা বৰ্ডৰ অধীনত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হব লাগিব।

• অনুসূচিত জাতি/জনজাতি/অন্যান্য পিছপৰা শ্ৰেণী/অতি অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰাৰ্থীসকলে ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত যিকোনো পৰিষদ বা বৰ্ডৰ অধীনত হাইস্কুল সিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হব লাগিব।

**- আমানতৰ ধন জমা দিয়া নিৰিখ -**

| ক্ৰমিক নং | পদৰ শ্ৰেণী | সাধাৰণ প্ৰাৰ্থীৰ বাবে | অনুসূচীত জাতি/অনুসূচীত জনজাতি প্ৰাৰ্থীৰ বাবে |
|---|---|---|---|
| ১ | গাওঁ পঞ্চায়তৰ সদস্য | ২০০/- টকা | ১০০/- টকা |
| ২ | আঞ্চলিক পঞ্চায়তৰ সদস্য | ৫০০/- টকা | ২৫০/- টকা |
| ৩ | জিলা পৰিষদৰ সদস্য | ১০০০/- টকা | ৫০০/- টকা |

***